# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## শুক্ৰবাৰ, ৩ মাৰ্চ, ২০১৭

গড়কাপ্তানি (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথসমূহ) মীন, আবকাৰী, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম (খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি)।

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* **পথ নিৰ্মাণ সম্পৰ্কে**

শ্ৰীনজৰুল হক ঃ

৫৬৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত ধৰ্মশালাৰ পৰা জংলীয়ালৈকে যোৱা পথটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(কামৰ অগ্ৰগতিৰ খতিয়ান দাখিল কৰিব)

(খ) কিছুমত হাচদা Part-IV ৰ পৰা ধুবুৰী বিন্নাচাৰালৈ যোৱা পথটোৰ নিৰ্মাণৰ কাম Pkg-No.-AS-05-32 for ২০০৬-০৭ বৰ্ষতে PMGSY আঁচনিৰ যোগেদি আৰম্ভ কৰা হৈছিল যদিও আজি পৰ্য্যন্ত আধৰুৱা হৈ থকাৰ কাৰণ কি?

(বিস্তাৰিতভাৱে জনাব)

(গ) উক্ত পথকেইটাৰ কাম কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

*বিষয় ঃ* **বিলাসীপাৰাত পকীপথ**

শ্ৰীঅশোক কুমাৰ সিংহী ঃ

৫৭০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত (বৰ্তমান) ৰাজ্যিক উচ্চ আলিবাট (SH), পকীপথ (PMGSY), কেঁচা

পথ আদিৰ প্ৰকাৰ ভেদে কিমান দৈৰ্ঘ্যৰ পথ বিভাগৰ অধীনত আছে? বিতং তথ্য দাখিল কৰিবনে?

(খ) বিলাসীপাৰা মহকুমাত থকা SH, PMGSY, অন্যান্য পথৰ দৈৰ্ঘ কিমান?

(গ) বিলাসীপাৰা মহকুমাত PMGSYৰ অধীনত নিৰ্মীত পথৰ ভিতৰত কোন কোন পথৰ Package অনুসৰি ৫ বছৰৰ যি গ্যাৰাণ্টি পিৰিয়ড (মিয়াদ) থাকে, সেয়া উকলি গৈছে, উক্ত গ্যাৰাণ্টি পিৰিয়ড উকলি যোৱা পথবোৰৰ বৰ্তমান অৱস্থা কেনে আছে? যদিহে পথবোৰ Damage হৈ আছে, তেনেহ'লে কোন কোন পথৰ মেৰামতি বা পুনৰ নিৰ্মাণৰ কাম হাতত ল'বলগা হৈ আছে? উক্ত ক্ষতি হোৱা পথৰ মেৰামতি বা পুনৰ নিৰ্মাণৰ বাবে বিভাগে কি ব্যৱস্থা হাতত লৈছে? যদি লোৱা নাই, তেনেহ'লে সেই পথবোৰৰ মেৰামতি বা নিৰ্মাণৰ কিবা ব্যৱস্থা কৰাৰ চৰকাৰে চিন্তা কৰিছেনে?

(ঘ) গড়কাপ্তানি গৃহ বিভাগৰ অন্তৰ্গত কি কি আঁচনি বিলাসীপাৰা মহকুমাত বৰ্তমানে চলি আছে? বিলাসীপাৰা Circuit House ৰ কামৰ অগ্ৰগতি কিমান হৈছে? কেতিয়া উক্ত Circuit House ৰ কাম সমাপ্ত হ'ব আৰু প্ৰশাসনীয় বিভাগক হস্তান্তৰ কৰিব?

(ঙ) বিলাসীপাৰা I B, চাপৰ I B ৰ উন্নয়নৰ কামৰ বাবদ বিভাগে কি ব্যৱস্থা হাতত লৈছে? মহকুমা সদৰ হিচাপে বিলাসীপাৰা নগৰৰ সোমাজত থকা পৰিদৰ্শন বাংলাৰ অৱস্থা একেবাৰে শোচনীয়, চৰকাৰে ইয়াৰ উন্নয়নৰ বাবে ব্যৱস্থা হাতত ল'বনে?

(চ) MSDP আৰু DDP ৰ অধীনত গড়কাপ্তানি গৃহ বিভাগে কি কি কাম বৰ্তমানে হাতত লৈছে? যদি কৰি আছে, আঁচনিবোৰ কি কি? সেইবোৰৰ অগ্ৰগতি কিমান? বিতং তথ্য জনাবনে?

*বিষয় ঃ* **জলসিঞ্চন আঁচনি**

শ্ৰীনিজানুৰ ৰহমান ঃ

৫৭১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৪ নং গৌৰীপুৰ বিধান সভা সমষ্টিত ২০১৫-১৬, ২০১৬-১৭ বিত্তীয় বৰ্ষত জলসিঞ্চন বিভাগে নতুনকৈ কোনো আঁচনি গ্ৰহণ কৰিছেনে?

(খ) যদি লৈছে, কি কি?

(বিতংভাৱে জনাব)

(গ) উক্ত সমষ্টিত জলসিঞ্চন বিভাগৰ অকাৰ্য্যক্ষম হৈ থকা আঁচনিসমূহ কাৰ্য্যক্ষম কৰিবলৈ বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*Sub.* : **National Highway from Mission Chariali to Rowta.**

Shri ASHOK SINGHAL :

572. Will the Minister of P. W. D. be pleased to state :

(a) Has the Government proposed any plan to construct four-lane National Highway from Mission Chariali to Rowta ?

(b) If so, has any survey been conducted for the said construction work ?

(Please provide details)

(c) When will the construction work be started ?

*বিষয় ঃ* **পথ মেৰামতি**

শ্ৰীদীপক কুমাৰ ৰাভা ঃ

৫৭৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পৰা মেন্দিলৈ যোৱা NEC পথছোৱা

যোৱা দহ বছৰ ধৰি (প্ৰায়) মেৰামতিৰ কাম নোহোৱাৰ বাবে অতি জৰাজীৰ্ণ অৱস্থা হৈছে?

(খ) এইটোও জ্ঞাতনে, উক্ত পথছোৱা যাতায়তৰ বাবে একেবাৰে সুচল নোহোৱা বাবে বহুতো দুৰ্ঘটনা সংঘটিত হৈছে?

(গ) যদি জ্ঞাত, উক্ত পথছোৱা মেৰামতিৰ বাবে বিভাগে কি পদক্ষেপ লৈছে?

*বিষয় ঃ* **গোলকগঞ্জ সমষ্টিত ৰাস্তা নিৰ্মাণ**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

৫৭৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিত গড়কাপ্তানি বিভাগৰ দ্বাৰা ২০১৪-১৫, ২০১৫-১৬ আৰু ২০১৬-১৭ বৰ্ষত কোন শিতানত কিমান টকা, কোন কোন ৰাস্তা-দলং নিৰ্মাণত আবণ্টিত হৈছে?

(খ) আবণ্টিত ধনৰ কিমান খৰচ হৈছে আৰু কিমান বাকী আছে?

(গ) কোন ৰাস্তা/পেকেজৰ লগত কোন Contractor জড়িত হৈ আছে আৰু কামৰ অগ্ৰগতি কিমান শতাংশ অনুগ্ৰহ কৰি চৰকাৰে জনাবনে?

*বিষয় ঃ* **বাৰাকাটা বিল (বৰছলা)**

শ্ৰীগনেশ কুমাৰ লিম্বু ঃ

৫৭৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 12 নং বৰছলা বিধান সভা সমষ্টিৰ বিহুগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত ঐতিহাসিক 'বাৰাকাটা বিল' খননৰ বাবে কেইবা কোটি টকাৰ এক আঁচনি লোৱা হৈছিল যদিও এই আঁচনি সম্পূৰ্ণভাৱে ৰূপায়ণ কৰা নহ'ল। এইবিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে অৱগতনে? যদি অৱগত, ইয়াৰ বাবদ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে?

(খ) আঁচনিৰ বাবদ কিমান ধন ব্যয় কৰা হৈছিল আৰু বৰ্তমানে আঁচনিখন কি পৰ্য্যায়ত আছে, বিতংকৈ তথ্য দিবনে?

*বিষয় ঃ* **পথ নিৰ্মাণ**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৫৭৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি বিভাগে নাজিৰা সমষ্টিৰ এনুৱেল প্লেন (সাধাৰণ) ২০১৫-২০১৬ অধীনত দেওঘৰীয়া আলি আৰু বৰদুৱাৰ আলি আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত পাঁচশ কাঠৰ দলং পকীকৰণ কৰা বাৰ্ষিক আঁচনিৰ ২০১৫-২০১৬ বৰ্ষৰ অধীনত নামচাই নৈৰ ওপৰত সেউজপুৰ আলি দলং, বানটুং নৈৰ ওপৰত বেলেংবাৰি আলি দলং, বানটুং নৈৰ ওপৰত দুৱৰাগাঁও আলি দলঙৰ কামৰ প্ৰশাসনিক অনুমোদন আৰু নিবিদা আহ্বানৰ বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয় অৱগতনে?

(খ) যদি অৱগত, ইয়াৰ বিতং তথ্যসমূহ দিব আৰু এই আঁচনিসমূহৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব আৰু কেতিয়া সম্পূৰ্ণ কৰিব জনাবনে?

(গ) নাজিৰা সমষ্টিৰ ফকৰুদ্দিন আলি আহমেদ পথ আৰু কুশল কোঁৱৰ পকীপথ আঁচনিৰ কামসমূহ ঠিকাদাৰে লেহেমীয়া গতিৰে কৰি থকাৰ বিষয়ে অৱগতনে?

(ঘ) যদি অৱগত, তেনেহ'লে এই কামসমূহ খৰতকীয়া কৰিববৈলে ব্যৱস্থা লৈছেনে?

(ঙ) নামতি চাৰিআলিৰ পৰা সোণাৰিলৈকে পুনৰ নিৰ্মাণ হৈ থকা ধোদৰ আলিৰ কাম নিবিদা অনুসৰি ঠিকাদাৰে কোন বছৰৰ কোন মাহত সম্পূৰ্ণ কৰা কথা আছিল?

(চ) এই কাম ঠিকাদাৰে সময়মতে সম্পূৰ্ণ কৰিলেনে? যদি কৰা নাই, কেতিয়া কৰিব? কাম বিলম্ব কৰি ৰাইজক কষ্ট দিয়াৰ বাবে ঠিকাদাৰৰ ওপৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*Sub.* : **Regarding schemes under Sericulture Department.**

Shri NIZAM UDDIN CHOUDHURY :

577. Will the Minister of Sericulture be pleased to state :

What are the project/schemes implemented by the department for the last 3 years in LA-8, Algapur, Hailakandi ?

(Give details)

*বিষয় ঃ* **পদোন্নতিৰ ব্যৱস্থা**

শ্ৰীভবেশ কলিতা ঃ

৫৭৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি বিভাগৰ চান্দমাৰী সংমণ্ডলত ২০/২৫ বছৰ খালী হৈ থকা পদসমূহ Service Rule নথকাৰ বাবে পদোন্নতি দিব পৰা হোৱা নাই (তৰাবিহীন প্ৰশ্ন নং ৬৯০ (গ) দিনাংক ১২-০৮-২০১৬) Service Rule প্ৰস্তুতকৰণৰ কাম চলি আছে, উত্তৰ সাপেক্ষে ইং ২০১৫ চনতে B&NH/ET/56/2015 ফাইলযোগে প্ৰস্তুতি আৰম্ভ কৰা Service Rule খনৰ কাম আজিলৈকে শেষ কৰিব নোৱাৰাৰ কাৰণ কি?

(খ) Service Rule প্ৰস্তুত কৰিবলৈ কাক কাক দায়িত্ব দিয়া হৈছিল?

(নাম আৰু পদৱী উল্লেখ কৰি সদনত দাখিল কৰিব)

(গ) Service Rule প্ৰস্তুত নোহোৱাকৈ ক্লাৰিকেল পদসমূহ খালী হোৱাৰ লগে লগে পদোন্নতি হোৱাৰ বিপৰীতে কাৰিকৰী পদৰ কৰ্মচাৰীসকলৰ পদোন্নতি নোহোৱাৰ কাৰণ কি?

(ঘ) প্ৰায় ২০/২৫ বছৰ খালী হৈ থকা পদসমূহ পূৰণৰ ক্ষেত্ৰত চৰকাৰে আজিলৈকে গুৰুত্বসহকাৰে কাৰ্যকৰী ব্যৱস্থা নোলোৱাৰ কাৰণ দৰ্শাবনে?

(ঙ) গুৱাহাটী ইলেক্ট্ৰিকেল ডিভিজনৰ অন্তৰ্গত পাঁচটা চাব-ডিভিজনত প্ৰায় ২৪ টা ইলেক্ট্ৰিচিয়ানৰ ভিতৰত ২/৩ জনে কাম কৰি থকাটো সত্যনে?

(চ) যদি সত্য, কেনেকৈ ২/৩ জন ইলেক্ট্ৰিচিয়ানৰ দ্বাৰা উক্ত পাঁচটা ডিভিজন পৰিচালনা কৰিছে?

(চাব-ডিভিজন ভিত্তিত বিতংকৈ জনাব)

(ছ) Service Rule খনৰ কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰি কাৰিকৰী অৰ্হতা থকা কৰ্মচাৰীসকলক পদোন্নতি দিয়াৰ ব্যৱস্থা কৰিব?

*বিষয় ঃ* **Fishery**

শ্ৰীজামাল উদ্দিন আহমেদ ঃ

৫৭৯। মাননীয় মীন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Chief Minister's Special Pakage, Borak Vally Phase-ii (Group Fishery) ২০১৪-১৫ চনে Badarpur constituency তে কত টাকা Sanction করা হয়েছে?

(খ) এখন পর্য্যন্ত Scheme এর Progress কতটুকু?

(গ) ২০১৪-১৫, ২০১৫-১৬ চনে কত fund release করা হয়েছে?

(ঘ) বর্তমানে কত fund release করার বাকী আছে, এবং balance টাকা (কখন) release করা হইবে?

*Sub.* : **Repairing of Inspection Bunglow at Katigorah LAC.**

Shri AMAR CHAND JAIN :

580. Will the Minister of PWD be pleased to state :

(a) Whether any proposal for construction of RCC inspection bunglow at Gumrah and Katigorah ?

(b) Whether any fund allotted for immediate repairing of I.B. at Gumrah and Katigorah ?

*Sub.* : **Schemes under PWD (Roads & Buildings).**

Shri SHERMAN ALI AHMED :

581. Will the Minister of P. W. D. be pleased to state :

What are the schemes sanctioned so far under PWD (Roads & Buildings) during 2016- 2017 ?

(Please furnish LAC-wise details)

*বিষয় ঃ* **জলসিঞ্চন আঁচনি**

শ্ৰীবলিন চেতিয়া ঃ

৫৮২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিত Total Irrigable Area কিমান?

(খ) কিমান অঞ্চল সঠিকভাৱে Irrigation Scheme ৰ আওতাৰ ভিতৰত পৰিছে?

(গ) কিমান সংখ্যক Irrigation Scheme শদিয়া সমষ্টিত বৰ্তমান সম্পূৰ্ণভাৱে কাৰ্য্যক্ষম হৈ আছে?

(তথ্যসহকাৰে জনাব)

*বিষয় ঃ* **PMGSY পথ নিৰ্মাণ**

শ্ৰীআব্দুল হাই নাগৰি ঃ

৫৮৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩৪ অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টি (বঙাইগাঁও, গড়কাপ্তানি পথ সংমণ্ডল অধীন)ৰ ১০০০/২০০০/৩০০০/৫০০ জনসংখ্যা থকা বহু গাঁও প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাত পথ সংযোগৰ পৰা বাদ পৰি ৰ'ল।

উক্ত যোজনাত পথ সংযোগৰ পৰা বাদ পৰি ৰোৱা জনবহুল গাঁওসমূহৰ সংযোগী পথ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(খ) জনামতে উক্ত জনবহুল গাঁওসমূহ চাৰ্ভে (survey) কৰোতে বাদ পৰিছে, সেয়ে পথসমূহৰ নামৰ তালিকা দাখিল কৰিলে, তাকে একচন প্লান (action plan) হিচাপে গ্ৰহণ কৰি পথ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(উত্তৰ অনুগ্ৰহ কৰি সদনৰ মজিয়াত দিব)

*Sub. :* **Irrigation schemes under Mariani.**

Shri RUPJYOTI KURMI :

584. Will the Minister of Irrigation be pleased to state :

(a) Is the Government aware that there are 4 Nos. Irrigation project construction work done under Mariani LAC i.e. Cirakhati, Naujuli, Mogroi and Teok FIS during the tenure of previous Government ? Now, only for LA problem, the work has been stopped and the public is not receiving water from the project.

(b) If yes, what step will the Government take to solve the LA problem to allot water to the public & farmers ?

(c) If the step is taken, when will the Government do so ?

*বিষয় ঃ* **মদৰ ঘাটি উচ্ছেদ**

শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ

৫৮৫। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, সমগ্ৰ অসমতে দেশী মদৰ ঘাটি আৰু বিদেশী মদৰ বিপণীয়ে পান দোকানৰ নিচিনাকৈ চাটি ধৰিছে?

(খ) দেশী মদৰ ঘাটিসমূহে উঠি অহা নতুন প্ৰজন্মৰ একাংশৰ লগতে সমাজৰ ক্ষতি কৰিছে? ইতিমধ্যে মহিলাসমূহে দাবী জনাইছে এই ঘাটিসমূহ উচ্ছেদৰ বাবে, চৰকাৰৰ ফালৰ পৰা এনে কিবা পৰিকল্পনা লৈছে নেকি?

(গ) ঘাটিসমূহ উচ্ছেদ কৰিলে এই ব্যৱসায়ৰ লগত জড়িত লোকসমূহক Alternative সংস্থাপন দিয়াৰ পৰিকল্পনা ল'ব নেকি?

(ঘ) হাজোত ইতিমধ্যে অপাৰ ক্ষতি কৰা এই দেশী মদৰ ঘাটি উচ্ছেদ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা প্ৰশাসনক কিবা নিৰ্দেশ দিছে নেকি?

*Sub. :* **Completing of half done work.**

HAFIZ BASHIR AHMED :

586. Will the Minister of PWD be pleased to state :

(a) What is the present status of the half done work of roads under Pkg.–No. AS-05- 43 of PMGSY ?

(b) Whether Tender has been done or not ?

(c) If yes, why the work has not started ?

(d) If not, why ?

(Give details)

*বিষয় ঃ* **ৰাস্তা নিৰ্মাণ সন্দৰ্ভত**

শ্ৰীৰমাকান্ত দেউৰী ঃ

৫৮৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাইজে দুৰ্ভোগ ভুগি থকা মৰিগাঁৱৰ পৰা বাৰপূজীয়া হৈ নগাঁওলৈ যোৱা পথটো নিৰ্মাণৰ আদেশ কাক আৰু কেতিয়া দিয়া হৈছিল? বৰ্তমানলৈ কিয় সম্পূৰ্ণ হোৱা নাই? কেতিয়া সম্পূৰ্ণ কৰাৰ দিন ধাৰ্য্য কৰা হৈছে?

(খ) জাগীৰোডৰ পৰা মৰিগাঁৱলৈ যোৱা পথটো কেতিয়া সম্পূৰ্ণ কৰাৰ দিন ধাৰ্য্য কৰা হৈছে?

(গ) গড়কাপ্তানি বিভাগৰ নিৰ্ধাৰিত মূল্যতকৈ কম মূল্যত কাম লৈ কাম সম্পূৰ্ণ নকৰা ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ কিবা আইন আছেনে? যদি আছে, কাৰোবাৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছেনে?

*বিষয় ঃ* **NH/AACP PWD পথ**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৫৮৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইটো সঁচানে, গোৱালপাৰাৰ পঞ্চৰত্ন নৰনাৰায়ণ সেঁতুৰ পৰা গোৱালপাৰা চহৰ আৰু মাটিয়াক সংযোগ কৰি দুধনৈলৈকে নিৰ্মীয়মান NH/AACP PWD পথক সম্পূৰ্ণ কৰাৰ সময় আছিল ৩১-৫-২০১৬ তাৰিখ, কিন্তু বৰ্তমানেও অসম্পূৰ্ণ?

(খ) যদি সঁচা, তেন্তে নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰাৰ বাবে সময় সম্প্ৰসাৰণ কৰা হৈছে নেকি আৰু যদি হৈছে, কিমান দিনলৈকে সময় দিয়া হৈছে?

(গ) যদি দিয়া হোৱা নাই, তেন্তে পৰৱৰ্তী পৰ্য্যায়ত কি ব্যৱস্থা কৰিব?

(ঘ) ৩৭ নং গোৱালপাৰা পূব সমষ্টিত বৰ্তমানে গড়কাপ্তানি পথসমূহত কিমান কাঠৰ দলং আছে? দলংসমূহ RCC দলং কৰিবলৈ কিমান দিন লাগিব?

(তথ্য দিব)

(ঙ) ৩৭ নং গোৱালপাৰা পূব সমষ্টিত **PMGSY** ৰ কেইটা পথৰ কাম বাকী আছে?

(চ) বাকী থকা পথৰ কামসমূহ কিমান দিনৰ ভিতৰত শেষ কৰিব পৰা যাব?

(ছ) ইয়াৰ বাবে কোনো পৰিকল্পনা হাতত লোৱা হৈছে নেকি?

(খতিয়ান দি তথ্য দিব)

*বিষয় ঃ* **জলসিঞ্চন প্ৰকল্প কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা।**

ডাঃ নোমল মমিন ঃ

৫৮৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেওপানী আৰু ঘৰিয়ালডুবিস্থিত বোকাজান মহকুমাৰ অন্তৰ্গত জলসিঞ্চন দুটা কাৰ্য্যক্ষম হয়নে?

(খ) যদি নহয়, ইয়াক কাৰ্য্যক্ষম কৰি কৃষক বন্ধুসকলৰ কষ্ট দূৰ কৰিব নেকি?

*Sub. :* **PMGSY works in Dima Hasao**

Shri BIR BHADRA HAGJER :

590. Will the Minister of Public Works Department be pleased to state :

(a) In the replies furnished pertaining to Question No. 41 on 03-02-2017, it is seen that no works of metalling and black topping has been done in Dima Hasao district upto 30-1-2016. Will the Government give reasons as to way no such work was undertaken in Dima Hasao district ?

(b) Will the Government furnish the list of schemes under PMGSY in Dima Hasao district from 2014-15 to 2016-17 ?

*বিষয় ঃ* **লখৰাৰ পৰা জালুকপাহামলৈ যোৱা পথ নিৰ্মাণ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

৫৯১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ লখৰাৰ পৰা গড়ভাঙা হৈ জালুকপাহাম পথ আৰু এয়াৰ পৰ্টৰ পৰা কইনাধৰালৈ যোৱা পথ দুটাৰ বাবে চৰকাৰে কিমান পুঁজি আবণ্টন দিয়া হৈছে আৰু বৰ্তমান এই পথ দুটাৰ কাম কিমান শতাংশ সম্পূৰ্ণ হৈছে, জনাবনে?

(খ) লখৰাৰ পৰা গড়ভঙা হৈ জালুকপাহামলৈ যোৱা পথটো আৰম্ভ নকৰাৰ কাৰণ কি? এই পথটো আৰম্ভ কৰাৰ ক্ষেত্ৰত বন বিভাগৰ দ্বাৰা বাধাগ্ৰস্ত হৈছে নেকি?

(গ) এই পথটোৰ বাবে অসমৰ মুখ্য সচিবৰ দ্বাৰা বন বিভাগৰ হৈ পত্ৰ দিয়াৰ কিবা নিয়ম আছে নেকি?

(ঘ) যদি কিবা নিয়ম আছে, তেনেহ'লে উক্ত নিয়ম অনুসৰি মুখ্য সচিবে পত্ৰ লিখি নিদিয়াৰ কাৰণ কি?

(ঙ) ইয়াৰ ফলত উক্ত পাহাৰ বা অঞ্চলৰ ৰাইজৰ লগতে বন বিভাগটো ক্ষতিগ্ৰস্ত হোৱা নাই নে?

*বিষয় ঃ* **হস্ততাঁত আৰু বস্ত্ৰ শিল্প উদ্যোগিক বিকাশৰ বাবে নতুন আঁচনি সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৫৯২। মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

উদ্যোগিক বিকাশৰ বাবে হস্ততাঁত আৰু বস্ত্ৰ শিল্পই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে, এই হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ উদ্যোগিক বিকাশৰ বাবে আৰু ইয়াত জড়িত ব্যক্তিসকলৰ বাবে চৰকাৰে জনকল্যাণমুখী কিবা নতুন আঁচনি গ্ৰহণ কৰিছে নেকি, বিভাগীয় মন্ত্ৰী মহোদয়ে জনাবনে?

*বিষয় ঃ* **মাছ উৎপাদন**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

৫৯৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ' এই অভিলাষী আঁচনিৰ দ্বাৰা চৰকাৰে ৰাজ্যখনত কিমান বিঘা মাটিত পুখুৰী খনাই মাছ পোহাৰ আঁচনি লৈছে?

(খ) এই আঁচনিৰ দ্বাৰা ৰাজ্যখনত প্ৰতি বছৰে কিমান টন মাছ উৎপাদনৰ লক্ষ্য স্থিৰ কৰা হৈছে?

(গ) এই আঁচনিত ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বছৰ দুটাত চৰকাৰে কিমান টকা ব্যয় কৰিব?

*বিষয় ঃ* **মৎস্য উৎপাদন**

শ্ৰীমামুন ইমদাদুল হক চৌধুৰী ঃ

৫৯৪। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত প্ৰতিবছৰে কিমান কুইন্টল মাছৰ প্ৰয়োজন হয়, তাৰে অসমে কিমান উৎপন্ন কৰে আৰু কিমান পৰিমাণে অন্যান্য ৰাজ্যৰ পৰা আমদানি কৰা হয়?

(খ) লক্ষীমপুৰ জিলাৰ বাবে প্ৰতিবছৰে কিমান কুইন্টল মাছৰ প্ৰয়োজন হয় আৰু তাৰে জিলাখনে কিমান পৰিমাণে নিজাববীয়াকৈ উৎপন্ন কৰে?

(গ) জিলাখনৰ কোন কোন গাঁৱৰ পৰা সৰ্বাধিক পৰিমাণৰ মৎস্য উৎপন্ন হয়?

(গাঁৱৰ নামসহ বাৰ্ষিক উৎপাদিত মৎস্যৰ পৰিমাণ জনাব)

(ঘ) মৎস্য উৎপাদন কৰা উক্ত গাঁওবোৰৰ মৎস্য উৎপাদকসকলক আধুনিক পদ্ধতিৰে অধিক মৎস্য উৎপাদন কৰাৰ বাবে কিবা চৰকাৰী প্ৰশিক্ষণ দিয়া হয়নে?

(ঙ) যদি হয়, কেনেধৰণৰ প্ৰশিক্ষণ দিয়া হয় সবিশেষ জনাব।

(চ) তেওঁলোকক চৰকাৰৰ ফালৰ পৰা কিবা আৰ্থিক সহায় কৰা হয়নে? যদি হয়, বিঘাই প্ৰতি কিমান আৰ্থিক অনুদান দিয়া হয়?

(সবিশেষ জনাব)

*Sub. :* **Fishery Schemes**

Shri AMINUL ISLAM :

595. Will the Minister of Fishery be pleased to state :

(a) What is the area producing the maximum Fish in the State of Assam?

(b) What is the scheme of the Government to revive the derelict water bodies ?

(c) Will the Government take any scheme to develop the derelict water bodies in the district as community Fishing tank ?

*বিষয় ঃ* **Road Over Bridge**

শ্ৰীঅশোক কুমাৰ সিংহী ঃ

৫৯৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নামনি অসমৰ নলবাৰী, বৰপেটা, বঙাইগাঁও, কোকৰাঝাৰ আৰু ধুবুৰী জিলাত ভাৰতীয় ৰে'ল লাইনৰ ওপৰেদি, ৰাষ্ট্ৰীয় ঘাইপথৰ বাহিৰে, কিমানটা Road Over Bridge এতিয়ালৈ নিৰ্মাণ কৰা হৈছে? কিমানটা Road Over Bridge ৰ কাম বৰ্তমান চলি আছে, জনাবনে?

(খ) বঙাইগাঁও চহৰৰ মাজত ৰে'ল লাইনৰ ওপৰেদি যি Road Over Bridge বনোৱা হৈছে, তাৰ নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ কৰা হৈছে? কোন ঠিকাদাৰ বা ঠিকাদাৰী প্ৰতিষ্ঠানে নিৰ্মাণৰ কাম কৰিছে? উক্ত কামৰ সৰ্বমুঠ ব্যয় কিমান হৈছে? এতিয়াও কোনো অংশৰ কাম অসম্পূৰ্ণ হৈ আছেনে?

(গ) বঙাইগাঁৱৰ উক্ত Road Over Bridge নিৰ্মাণৰ বাবে সম্পূৰ্ণ ধন ঠিকাদাৰ বা ঠিকাদাৰী সংস্থাক আদায় দিয়া হৈছেনে? যদি হৈছে, কাক কাক কিমান ধন আদায় দিয়া হ'ল? যদি হোৱা নাই, কাৰ কাৰ ধন এতিয়াও আদায় দিয়া হোৱা নাই? আৰু কি কাৰণে আদায় দিয়া নাই?

(বিতং তথ্য যোগান ধৰিব)

(ঘ) ওপৰৰ (ক) অংশত উল্লেখ কৰা জিলাত যদি তেনে Road Over Bridge ৰ কাম চলি আছে, তেন্তে ঠাইবোৰৰ নাম উল্লেখ কৰিবনে?

*বিষয় ঃ* **ফ'ৰলেণ্ডযুক্ত নিৰ্মাণ সন্দৰ্ভত**

শ্ৰীদুৰ্গা ভূমিজ ঃ

৫৯৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড়, তিনিচুকীয়া, মাকুম, ডুমডুমা, তালাপ, চৌখোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথছোৱা ফ'ৰলেণ্ডযুক্ত কৰাৰ আঁচনি চৰকাৰৰ আছেনে?

(খ) যদি আঁচনি আছে, তেন্তে চলিত বিত্তীয় বৰ্ষত উক্ত ঘাইপথছোৱা ফ'ৰলেণ্ডযুক্ত নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিবনে?

*বিষয় ঃ* **NLCPR আঁচনি**

শ্ৰীউৎপল দত্ত ঃ

৫৯৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ সমষ্টিৰ ৰঙা নদীৰ ওপৰত ফটাখুটি পাৰ ঘাটত পকী দলং আৰু পানীগাঁও খাৰকাটি আহোমনি (নাওবৈচা সংলগ্ন) পথ উন্নীতকৰণৰ বাবে NLCPR ৰ অধীনত আঁচনি প্ৰস্তুত কৰিছে নেকি? যদি কৰিছে, এতিয়া কি পৰ্য্যায়ত আছে?

(খ) উত্তৰ লখিমপুৰ জিলা উপায়ুক্ত কাৰ্য্যালয়ৰ পৰা এয়াৰপোৰ্ট সংযোগী পথটো উন্নীতকৰণৰ বাবে NLCPR আঁচনিৰ অধীনত ব্যৱস্থা লৈছে নেকি? যদি লৈছে, বৰ্তমান কি পৰ্য্যায়ত আছে?

*বিষয় ঃ* **আঁচনিৰ টকা**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৫৯৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মুখ্যমন্ত্ৰী পথ নিৰ্মাণ আৰু পুনৰ নিৰ্মাণ আঁচনিৰ অধীনত ইং ২০১৬-১৭ বিত্তীয় বৰ্ষত কোন সমষ্টিত কিমান টকা ধাৰ্য্য কৰা হৈছে?

(বিতং তালিকা সদনৰ মেজত দাখিল কৰিব)

*বিষয়ঃ* **বৰপেটা জিলাত মীন ব্যৱসায় উন্নয়ন সন্দৰ্ভত।**

শ্ৰীগুনিন্দ্ৰ নাথ দাস ঃ

৬০০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ হাউলীত মীন ব্যৱসায় উন্নয়নৰ স্বাৰ্থত এটি মাছৰ শীতল ভঁড়াল (Cold

Storage) নিৰ্মাণ আৰু মাছৰ খাদ্য প্ৰস্তুত কৰা কাৰখানা এটি স্থাপন কৰাৰ বাবে চৰকাৰে কিবা সিদ্ধান্ত লৈছেনে ?

(খ) যদি লৈছে, কেতিয়ালৈ আৰম্ভ কৰিব ?

*বিষয় ঃ* **PMGSY আঁচনি।**

শ্ৰীবিমল বড়া ঃ

৬০১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত ব্যৱহৃত হৈ থকা প্ৰযুক্তি অসমৰ জলবায়ুৰ সৈতে খাপ নোখোৱাৰ বাবে পথসমূহ সোনকালে ধবংসপ্ৰাপ্ত হোৱা কথাযাৰ সত্যনে ?

(খ) যদি সত্য, PMGSY আঁচনিকে ধৰি অন্যান্য আঁচনিত নিৰ্মাণ হ'ব লগা পথ সমূহৰ প্ৰযুক্তিগত কৌশল সলনি কৰি দীৰ্ঘদিনৰ বাবে উপযোগী হৈ থাকিব পৰা কৌশল প্ৰয়োগ কৰাৰ কিবা ব্যৱস্থা কৰিছেনে ?

(গ) যদি কৰিছে, কিমান শতাংশ পথত এই পদ্ধতি প্ৰয়োগ কৰিছে ?

(ঘ) যদি কৰা নাই, কৰাৰ কিবা পৰিকল্পনা আছেনে ?

(ঙ) টিংখং সমষ্টিৰ জানৰ ওপৰত থকা দলংখনৰ মূৰ দুটা খহি পৰা কথাটো বিভাগ অৱগত নে ? যদি অৱগত, কিয় ইমান দিনে যাতায়তৰ উপযোগী কৰাৰ ব্যৱস্থা হাতত লোৱা নাই ?

*বিষয় ঃ* **খালী পদ আৰু অনুকম্পামূলক নিযুক্তি**

শ্ৰীআব্দুল খালেক ঃ

৬০২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি বিভাগত বৰ্তমানে কিমান খালী পদ আছে ?

(জিলা আৰু ডিভিজনভিত্তিক তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(খ) অনুকম্পামূলক নিযুক্তিৰ কাৰণে কিমানজন আবেদনকাৰীৰ আবেদন নিষ্পত্তি নোহোৱাকৈ পৰি আছে ?

(ডিভিজনভিত্তিক তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(গ) বঙাইগাঁও গ্ৰাম্য পথ ডিভিজনৰ অধীনত বৰপেটা জিলাৰ বৰটাৰী গাঁৱৰ আব্দুল মান্নান নামৰ এজন আবেদনকাৰীৰ অনুকম্পামূলক নিযুক্তিৰ আবেদন এতিয়ালৈকে নিষ্পত্তি নোহোৱাৰ কাৰণ কি ?

*বিষয় ঃ* **প্ৰকল্প প্ৰতিবেদন দাখিল**

শ্ৰীসত্যব্ৰত কলিতা ঃ

৬০৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে কৰা মিনি ষ্টেডিয়ামৰ প্ৰাক্‌কলন আৰু নক্সা বিচাৰি গড়কাপ্তানি (গৃহ) বিভাগলৈ নং DSO(K)KM/ Stadium/173/8009 dtd-19-07-2016 মৰ্মে বিতং প্ৰকল্প প্ৰতিবেদনৰ (Detailed Project Report) বাবে প্ৰেৰণ কৰা পত্ৰখন গড়কাপ্তানি (গৃহ) বিভাগে পাইছেনে ?

(খ) যদি চিঠিখন পাইছে, তেনেহ'লে আজি ৮ মাহে বিতং প্ৰকল্প প্ৰতিবেদন (DPR) ক্ৰীড়া বিভাগক জমা দিব নোৱাৰাৰ কাৰণ কি ?

(গ) প্ৰকল্প প্ৰতিবেদন কেতিয়া দাখিল কৰিব ?

*বিষয় ঃ* **মাহমৰা সমষ্টিৰ নুনি ফাৰ্ম**

শ্ৰীযোগেন মহন ঃ

৬০৪। মাননীয় বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ ৰেচম বিভাগৰ দ্বাৰা ১০৫ নং মাহমৰা সমষ্টিৰ ডবা পঞ্চায়ত আৰু নিমনা

গড় পঞ্চায়তৰ মথুৰাপুৰৰ নুনি ফাৰ্ম কেইখন কি পৰ্য্যায়ত আছে, ইয়াৰ সম্পূৰ্ণ তথ্য সহকাৰে জনাবনে ?

(খ) যদি মৃতপ্ৰায় অৱস্থাত আছে, তেন্তে ইয়াৰ পুনৰ জীৱিত অৱস্থাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

*বিষয়ঃ* **আইৰ কাটা পকীদলং সম্প্ৰসাৰণ আৰু মেৰামতি সম্পৰ্কে।**

শ্ৰীওয়াজেদ আলী চৌধুৰী ঃ

৬০৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯৫ চনত ফকিৰ গঞ্জৰ পৰা নিদানপুৰলৈ NEC ৰাস্তাত থকা আইকাটা পকীদলংখনৰ দুয়ো পাৰে মাটি খহি যোগাযোগ ব্যৱস্থা বিছিন্ন হৈ থকা বুলি চৰকাৰ অৱগতনে ?

(খ) উক্ত দলংখনৰ দুয়ো পাৰে মেৰামতি আৰু সম্প্ৰসাৰণৰ কাম আৰম্ভ কৰি হঠাৎ বন্ধ হোৱা বুলি চৰকাৰ অৱগতনে ? যদি অৱগত, তেন্তে মেৰামতি আৰু সম্প্ৰসাৰণৰ কাম কেতিয়ালৈ পুনৰ আৰম্ভ কৰা হ'ব আৰু কিমান দিনৰ ভিতৰত উক্ত কাম সম্পূৰ্ণ কৰাৰ সম্ভাৱনা আছে ?

*বিষয়ঃ* **জৰাজীৰ্ণ ৩৯ নং ৰাষ্ট্ৰীয় ঘাই পথ পুনঃনিৰ্মাণ সম্পৰ্কত।**

শ্ৰীমতী ৰ'জলীনা তিৰ্কী ঃ

৬০৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এছিয়ান হাইৱে ১ নং নামেৰে জনাজাত ৩৯ নং ৰাষ্ট্ৰীয় ঘাই পথৰ গোলাঘাট জিলাৰ অন্তৰ্গত ৰঙাজান তিনি আলিৰ পৰা নামবৰ বনাঞ্চলৰ মাজেৰে কাৰ্বি আংলং হৈ যোৱা পথছোৱাৰ জৰাজীৰ্ণ ৰূপটোৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদিহে অৱগত, চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

*বিষয়ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

৬০৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙলদৈ জলসিঞ্চন সংমণ্ডলৰ অধীনত দৰং জিলাত বৰ্তমান কি কি আঁচনি চলি আছে ? আঁচনি সমূহ বৰ্তমান কি পৰ্যায়ত আছে, সবিশেষ তথ্য দাখিল কৰিব ?

(খ) ছিপাঝাৰ বিধানসভা সমষ্টিত বৰ্তমান কিমান সংখ্যক DTW আছে ? ইয়াৰে কিমান সংখ্যক বৰ্তমানে কাৰ্য্যক্ষম হৈ আছে আৰু কিমান সংখ্যক এতিয়াও কাৰ্য্যক্ষম হৈ উঠা নাই ?

(গ) ছিপাঝাৰ সমষ্টিৰ কুৰুৱা উত্তোলিত জলসিঞ্চন আঁচনি কেতিয়া আৰম্ভ হৈছিল আৰু বৰ্ত্তমান ই কি পৰ্যায়ত আছে ?

(ঘ) কুৰুৱা উত্তোলিত জলসিঞ্চন আঁচনিখনত এতিয়ালৈ কিমান ধন ব্যয় কৰা হৈছে, সবিশেষ জনাব ?

(ঙ) আঁচনিখন কেতিয়া সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে ?

*বিষয়ঃ* **আঁচনি ৰূপায়ণ**

শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ

৬০৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ পৰা বৰ্তমানলৈ বিভিন্ন শিতানত কি কি কাম কৰিলে জনাবনে ?

(খ) উক্ত সময়ছোৱাত মঞ্জুৰী দিয়া আঁচনি আৰু হিতাধিকাৰীৰ সংখ্যা আৰু প্ৰয়োজনীয় ধনৰ পৰিমাণ বিধান সভা সমষ্টি ভিত্তিত তথ্য জনাবনে ?

(গ) বৰ্তমানলৈ সমষ্টি ভিত্তিত বিভিন্ন শিতানত কিমান টকাৰ কি কি আঁচনি ৰূপায়ণ কৰা হৈছে বা হৈ আছে বিতং ভাবে জনাব ?

*Sub. :* **Irrigation in the Char Areas of Baghbar LAC through STW.**

Shri SHERMAN ALI AHMED :

609. Will the Minister of Irrigation be pleased to state :

(a) Is the Government aware that most of the areas under Baghbar LAC are Char Areas and there is no irrigation facility for the farmers ?

(b) Is it also true that DRSC in its 15th & 16th report recommended for irrigation in Char Areas through STW/DTW and accordingly a project was prepared for an amount of Rs. 500.00 Lakhs during 2015-2016 for irrigation purpose in the Char Areas of Baghbar LAC through STW ?

(c) If yes, would the Government be pleased to sanction the said project for irrigation in the Char Areas of Baghbar LAC through STW during 2017-2018 ?

*বিষয় ঃ* **গোলকগঞ্জ সমষ্টিৰ অধীনৰ ৰাস্তা উন্নয়ন সম্পৰ্কে।**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

৬১০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NH-31 আৰু NH-37 সংযোগী D. K. Road টো তিনিটা সমষ্টি ক্ৰমে 24 গৌৰীপুৰ, 25 গোলকগঞ্জ আৰু 28 গোসাইগাঁও বিধান সভা সমষ্টিৰ অন্তৰ্ভুক্ত উক্ত পথটো যোগাযোগৰ বাবে বৰ্তমানে বিকল হৈ আছে। পুৰণি গোৱালপাৰা জিলা তথা বৰ্তমানৰ ধুবুৰী জিলাৰ, ধুবুৰী PWD R/R Division ৰ ১ নং পঞ্জীয়নভুক্ত PWD Road ইতিমধ্যে উক্ত পথটোৰ মেৰামতিৰ বাবে 10.39 Crore টকাৰ DPR বনাই চৰকাৰৰ অনুমোদনৰ বাবে পঠাইছে? অনুগ্ৰহ কৰি চৰকাৰে জনাবনে, এই পথটোৰ মেৰামতিৰ বাবে কেতিয়া অনুমোদন দিব আৰু কিমান দিনৰ পিচত কাম আৰম্ভ হ'ব?

(খ) ২৫ গোলকগঞ্জ বিধান সভা সমষ্টিৰ অন্তৰ্গত আগমনী উন্নয়ন খণ্ড আৰু গোলকগঞ্জ উন্নয়ন খণ্ডৰ অধীনত পোকালাগী, ভামনডাংগা, ৰনপাগলী, সিন্দুৰাই, ছত্ৰশাল, বিযখোৰা আৰু লক্ষীমাৰী গাঁও পঞ্চায়ত কেইটাৰ ৰাইজ বাংলাদেশ সীমান্তত বসবাস কৰি আছে। গধূলি ৫ বজাৰ লগে লগে সিহঁতে বজাৰ কৰাৰ বাবে সীমান্ত পথটোকে BSF জোৰানে যাতায়ত কৰিবলৈ বাধা দিয়ে। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ক টানি অনুৰোধ কৰো যে, সীমান্ত পথৰ সমান্তৰালকৈ খেৰবাৰীৰ পৰা লক্ষীমাৰীলৈ যাতায়তৰ বাবে বিকল্প পথৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কেতিয়া কৰিব অনুগ্ৰহ কৰি জনাবনে?

*Sub. :* **Dhodar Ali Road**

Shri RUPJYOTI KURMI :

611. Will the Minister of PWD Road be pleased to state :

(a) Is the Government aware that presently the condition of Dhodar Ali Road (Since not maintained or repaired) since 8 Months from 80.00 Km. to 90.50 Km. the road is getting worst and the public is facing problem ?

(b) If yes, what step will the Government take to repair the road at the earliest ?

(c) Is it true that Dhodar Ali has been taken up under State Highway ? If yes, by when will the Government sanction fund for the upgradation of the road ?

*বিষয় ঃ* **MTA & BASIN জলসিঞ্চন বান্ধ**

শ্ৰীনিজানুৰ ৰহমান ঃ

৬১২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৪ নং গৌৰীপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত 'দাওঁ ভাঙ্গী' গাঁও পঞ্চায়তৰ গাতে লাগি থকা 'গদাধৰ নৈ'ৰ MTA & BASIN জলসিঞ্চন বান্ধটো ২০১৫ বৰ্ষৰ প্ৰবল বানত চিগি যোৱা কথাটো চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, এই বান্ধৰ বাবে চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে?

(বিতংভাৱে জনাব)

(গ) সেই অঞ্চলৰ জনসাধাৰণৰ স্বাৰ্থত অতি সোনকালে বান্ধটো বন্ধাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*Sub. :* **Marketing Handloom Producs.**

Smti. SUMAN HARIPRIYA :

613. Will the Minister of Handloom and Textile be pleased to state :

(a) In Assam, specially in most of the rural areas, Handloom is a sort of Cottage Industry. Livelihood of the entire family depends on it. As such I would like to know how many households are engaged in handloom sector ?

(b) Due to dearth of proper marketing facility, Handloom sector in Assam could not prosper properly. So, in this case whether Government has taken proper steps in marketing finished handloom products ?

*বিষয় ঃ* **পকী দলং নিৰ্মাণ**

শ্ৰীভবেশ কলিতা ঃ

৬১৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত দলংঘাট-চুলাবাৰী আৰু নকুল-মধুকুছি সংযোগী পুথিমাৰী নদীৰ ওপৰত নিৰ্মাণৰত পকী দলং দুখনৰ অৱস্থিতি সম্পৰ্কে জনাবনে?

(খ) দলং দুখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কেতিয়া সময়সীমা নিৰ্দ্ধাৰণ কৰিছে?

(গ)চৰকাৰে কেতিয়া দলং দুখন জনসাধাৰণৰ বাবে মুকলি কৰিব?

(ঘ) দলং দুখনৰ নামত কিমান টকা আবন্টন দিয়া হৈছে আৰু বৰ্তমানলৈ কিমান টকা মুকলি কৰি দিলে?

*Sub. :* **East-West Corridor, Dima Hasao District.**

Shri BIR BHADRA HAGJER :

615. Will the Minister of Public Works Department be pleased to state :

(a) Will the Government indicate a tentative date by which the four laning (East-West Corridor) in Dima Hasao District will be completed ?

(b) When will the NHAI undertake repairs of the badly damaged sections in Doliadisa to Marwa sector in Dima Hasao and Cachar District ?

*Sub. :* **Liquor Shop**

Shri DEBABRATA SAIKIA :

616. Will the Minister of Excise Department be pleased to state :

(a) Whether there is any prohibition in establishment of Liquor Shop near Tea Estates as per Assam Liquor Prohibition Act ? What is the provision ?

(b) Whether any violation is made to the act ?

*বিষয় ঃ* **দলং নিৰ্মাণ সম্পৰ্কে**

শ্ৰীআমিনুল ইছলাম ঃ

৬১৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ অন্তৰ্গত বহলামুখ নৰসিং বৰি বৰবৰি পথত কেইখন দলঙৰ প্ৰয়োজন আৰু ক'ত ক'ত ?

(খ) এই দলং কেইখন নিৰ্মাণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) কোন আঁচনিৰ অধীনত দলং কেইখন নিৰ্মাণ কৰিব পৰা যাব?

(ঘ) চলিত বিত্তীয় বছৰত চৰকাৰে পদক্ষেপ ল'বনে?

(ঙ) বৃহত্তৰ জুৰীয়া উন্নয়ন খণ্ড এলেকাত গড়কাপ্তানি বিভাগৰ এখনো পৰিদৰ্শন বাংলা নথকা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(চ) জুৰীয়া উন্নয়ন খণ্ড কাৰ্য্যালয়ত এখন IB নিৰ্মাণ কৰিবনে?

*বিষয় ঃ* **দলং নিৰ্মাণ সন্দৰ্ভত**

শ্ৰীদূৰ্গা ভূমিজ ঃ

৬১৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা সমষ্টিৰ কাকজান গাঁও পঞ্চায়তৰ অন্তৰ্গত তাৰা নাহৰ জানত ময়লা নদীৰ ওপৰত দলং, গাভৰুভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত টঙানী হোনজানৰ পৰা কাকজানলৈ যোৱা পথত ময়লানদীৰ ওপৰত দলং, বাহিৰ ৰংদৈ গাঁৱৰ পৰা পূণ্যজানলৈ যোৱা পথত ময়লানদীৰ ওপৰত দলং আৰু ৰঙাজান গাঁও পঞ্চায়তৰ অন্তৰ্গত ডাঙৰী চাহ বাগিচাৰ পৰা বজাল গাঁৱলৈ যোৱা পথৰ ডাঙৰী নদীৰ ওপৰত দলং নোহোৱা হেতুকে যাতায়তৰ ক্ষেত্ৰত ৰাইজে জীয়াতু ভূগিবলগীয়া হৈছে, চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে উক্ত নদীসমূহৰ ওপৰত দলং নিৰ্মাণৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছেনে?

(গ) যদি কৰিছে, কিমান পুঁজিৰে কেতিয়াৰ পৰা আৰম্ভ কৰিব জনাবনে?

---

Assam Government press 113/17-LAQ-700-24-02-2017